জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১/২০২১

# বটদ্ৰৱা থানৰ সৌন্দৰ্যবৰ্দ্ধন প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## সময় নিৰ্দ্ধাৰিত ভাবে প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৯ মে' ঃ** বটদ্ৰৱা থানক আধ্যাত্মিক আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আৰম্ভ কৰা বৃহৎ প্ৰকল্পটিৰ কাম-কাজৰ বুজ লয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই । আজি বটদ্ৰৱাত অনুষ্ঠিত এক সভাত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ প্ৰকল্পটোৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। লোক নিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়া সকলে প্ৰকল্পটোৰ ৰূপায়ণৰ বিভিন্ন দিশ সম্পৰ্কে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে দ্ৰুতগতিত আৰু সময় নিৰ্দ্ধাৰিত ভাবে প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ লোক নিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াক নিৰ্দেশ দিয়ে। প্ৰতি দিনৰ কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ বাবেও এগৰাকী অতিৰিক্ত উপায়ুক্তক দায়িত্ব দিবলৈ কয়।

উল্লেখ্য যে ১৬৫ বিঘা ভূমি সামৰি ১৮৮ কোটি টকা ব্যয় সাপেক্ষে প্ৰকল্পটো গঢ়ি তোলা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বটদ্ৰৱা প্ৰকল্পটিৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰিছে।

আজিৰ এই পৰ্যালোচনা বৈঠকত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, স্থানীয় বিধায়িকা শিৱামণি বৰা, বিধায়কদ্বয় ৰূপক শৰ্মা আৰু জিতু গোস্বামী, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা,নগাঁও জিলাৰ উপায়ুক্ত,আৰক্ষী অধীক্ষক,লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাকে ধৰি শীৰ্ষ বিষয়া, শ্ৰীশ্ৰীনৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ন দেৱমহন্ত, শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিষয়ববীয়া, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে সাংবাদিকৰে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে বটদ্ৰৱা থানৰ সৌন্দৰ্যবৰ্দ্ধনৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। আজি এই প্ৰকল্পৰ অগ্ৰগতি বুজ লোৱা হৈছে। প্ৰকল্পটিত কিছু প্ৰাৰম্ভিক বাধা আছিল যদিও আজি সেই বাধাসমূহ দূৰ কৰা হ'ল। এতিয়া এই প্ৰকল্পৰ কাম দ্ৰুত গতিত আগবাঢ়িব। নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ / বঃভাঃ**
**২৯/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in